নিয়মীয়া বাৰ্তা

ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-193 □ WEDNESDAY 16 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUG

ডাঃ নাৰায়ণ উপাধ্যায়ৰ মৃত্যুত কাৰ্নৈ মহাবিদ্যালয়ত শোক

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৫ ছেপ্টেম্বৰ ঃ নিউৰলজিষ্ট, অসম চিকিৎসা মহাবিদ্যালয়ৰ নিউৰলজি বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক, মুৰব্বী আৰু প্ৰতিষ্ঠানখনৰ প্ৰাক্তন অধ্যক্ষ ডাঃ নাৰায়ণ উপাধ্যায়ৰ বিয়োগত ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিয়াল শোকত মৰ্মাহত হৈ পৰে। নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান AIIMS পৰা নিউৰলজিত DM ডিগ্ৰী অৰ্জন কৰা ডাঃ উপাধ্যায়ে ১৯৮৭ চনত অসম চিকিৎসা মহাবিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে যোগদান কৰে। ২০০১ চনত সাধাৰণ মেডিচিন বিভাগৰ পৰা পৃথক হৈ নিউৰলজি বিভাগে স্বতন্ত্ৰ বিভাগ হিচাপে আত্মপ্ৰকাশ কৰাৰ ক্ষেত্ৰত ডাঃ উপাধ্যায়ৰ অৱদান আছিল ঐতিহাসিক। প্ৰতিষ্ঠাপক অধ্যাপক আৰু বিভাগীয় মুৰব্বী হিচাপে তেওঁ কেৱল এটা বিভাগ গঢ়ি তোলা নাছিল, বৰং অসমৰ পৰৱৰ্তী প্ৰজন্মৰ নিউৰলজি চিকিৎসাৰ বাবে এক স্থায়ী পথৰো নিৰ্মাণ কৰিছিল। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এক বিবৃতিত উল্লেখ কৰা মতে ডাঃ নাৰায়ণ উপাধ্যায়ৰ বিয়োগ কেৱল চিকিৎসা জগতৰ এগৰাকী উজ্বল নক্ষত্ৰৰ অৱসান নহয়, ই অসমৰ চিকিৎসা বিজ্ঞানৰ এক গৌৰৱময় অধ্যায়ৰ অৱসান। জ্ঞান, দক্ষতা, নিষ্ঠা আৰু মানৱীয়তাক জীৱনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰি তেওঁ চিকিৎসা সেৱাক যি উচ্চতালৈ লৈ গৈছিল, সেয়া অসমৰ চিকিৎসা ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব বুলি বিবৃতিত উল্লেখ কৰে। বিবৃতিত উল্লেখ কৰে যে এগৰাকী চিকিৎসকৰ হাতত ৰোগীয়ে বিচাৰে আশ্বাস, এগৰাকী শিক্ষকৰ ওচৰত ছাত্ৰই বিচাৰে জ্ঞান আৰু এগৰাকী প্ৰশাসকৰ পৰা প্ৰতিষ্ঠানে বিচাৰে দূৰদৃষ্টি— ডাঃ উপাধ্যায়ে এই তিনিওটা দায়িত্বই সমানে নিষ্ঠাৰে পালন কৰিছিল। ডাঃ উপাধ্যায়ৰ দৰে সদাৰসিক, আপোনভোলা, সকলোৰে প্ৰিয়, জ্ঞানী, দক্ষ আৰু মানৱদৰদী চিকিৎসকৰ বিয়োগ সমাজৰ বাবে এক অপূৰণীয় ক্ষতি বুলি বিবৃতিখনত উল্লেখ কৰে। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত তেওঁৰ জীৱনজোৰা সাধনা আৰু সেৱাৰ আদৰ্শ নতুন প্ৰজন্মৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব বুলি বিবৃতিত উল্লেখ কৰে। ডাঃ উপাধ্যায়ে নশ্বৰ দেহে বিদায় ল'লেও, জ্ঞান, চিকিৎসা সেৱা আৰু মানৱীয়তাৰ পথত,লাই থৈ যোৱা পোহৰ কেতিয়াও নুমাব নোৱাৰে বুলি বিবৃতিত উল্লেখ কৰি মহাবিদ্যালয় পৰিয়ালবৰ্গই প্ৰয়াত চিকিৎসকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।